# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-09-2024
**Time :** 0700 hrs

## *Assamese Morning Bulletin*
# HEADLINES

১।   সমগ্ৰ দেশতে আজি হিন্দী দিৱস পালন কৰা হৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি চতুৰ্থ অখিল ভাৰতীয় ৰাজভাষা সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত সম্বোধন কৰিব।

২।   প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ টাটা নগৰ ৰে'লৰে ষ্টেচনৰ পৰা পতাকা জোকাৰি ৬ খন বন্দে ভাৰত এক্সপ্ৰেছ্ ৰে'লগাড়ীৰ যাত্ৰাৰ শুভাৰম্ভ কৰিব।

৩।   অসম মন্ত্ৰীসভাই অনিয়ন্ত্ৰিত জমা ধন আৰু অবৈধ ট্ৰেডিং কেলেংকাৰী সংক্ৰান্তত ৰাজ্যৰ বিভিন্ন আৰক্ষী চকীত ৰুজু হোৱা সকলো গোচৰৰ তদন্তৰ ভাৰ চি বি আইক অৰ্পণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

৪।   ভাৰতে আজি পুৰুষৰ এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ লীগ পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত পাকিস্তানৰ সন্মুখীন হ'ব।

*আৰু*

৫।   নীৰজ চোপ্ৰাই  আজি নিশা ডায়মণ্ড লীগ ফাইনেল প্ৰতিযোগিতাৰ পুৰুষৰ জেভলীন থ্ৰ' শিতানত অৱতীৰ্ণ হ'ব।

ooooo

সমগ্ৰ দেশতে আজি হিন্দী দিৱস পালন কৰা হৈছে। ১৯৪৯ চনৰ আজিৰ দিনটোতে সংবিধান সভাই দেৱনাগিৰি লিপিত লিখা হিন্দী ভাষাক দেশৰ ৰাজভাষা হিচাপে গ্ৰহণ কৰিছিল। সম্প্ৰতি হিন্দী বিশ্বৰ বহুলভাৱে প্ৰচলিত ভাষাসমূহৰ অন্যতম আৰু ৫২ কোটিৰো অধিক লোকৰ প্ৰথম ভাষা। এই উপলক্ষে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত ৰাজভাষাৰ হীৰক জয়ন্তী সমাৰোহ আৰু চতুৰ্থ অখিল ভাৰতীয় ৰাজভাষা সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত সম্বোধন কৰিব। ৰাজভাষা বিভাগে হিন্দী ভাষা ৰাজভাষা হিচাপে স্বীকৃতি পোৱাৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱাৰ লগত সংগতি ৰাখি এই সন্মিলনৰ আয়োজন কৰিছে। হিন্দী দিৱস উপলক্ষে আজি শ্ৰীশ্বাহে ৰাজভাষা ভাৰতী আলোচনীৰ হীৰক জয়ন্তী বিশেষ সংস্কৰণ উন্মোচন কৰিব আৰু ৰাজভাষা গৌৰৱ তথা ৰাজভাষা কীৰ্তি বঁটাসমূহ প্ৰদান কৰিব। হীৰক জয়ন্তী অধিক স্মৰণীয় কৰি তোলাৰ উদ্দেশ্যে অনুষ্ঠানত এটা স্মাৰক ডাক টিকট আৰু স্মাৰক মুদ্ৰা জাৰি কৰা হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ঝাৰখণ্ডৰ জামছেদপুৰৰ টাটা নগৰ ৰে'লৱে ষ্টেচনৰ পৰা পতাকা জোকাৰি ৬ খন বন্দে ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ীৰ যাত্ৰাৰ শুভাৰম্ভ কৰিব। এই ৰে'লগাড়ীসমূহে ঝাৰখণ্ডক অন্য ৰাজ্যৰ সৈতে সংযুক্ত কৰিব। ৰে'ল নেটৱৰ্কৰ আধুনিকীকৰণ আৰু ঝাৰখণ্ড তথা চুবুৰীয়া ৰাজ্যসমূহৰ যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰাৰ উদ্দেশ্যে গ্ৰহণ কৰা প্ৰয়াসৰ অংশ হিচাপে এই ৰে'লগাড়ীসমূহৰ যাত্ৰা শুভাৰম্ভ কৰা হ'ব। অনুষ্ঠানত ঝাৰখণ্ডৰ কেইবাটাও গুৰুত্বপূৰ্ণ ৰে'ল প্ৰকল্পৰ শুভাৰম্ভ কৰা হ'ব।

ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে বন্দে ভাৰত ৰে'লগাড়ীসমূহৰ যাত্ৰাৰ শুভাৰম্ভ অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে আজি টাটা নগৰ ৰে'ল ষ্টেচন পৰিদৰ্শন কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে কাইলৈ গোপাল ময়দানত এখন জনসভাকো সম্বোধন কৰিব। সভাৰ পূৰ্বে প্ৰধানমন্ত্ৰীয়ে ভল্টাছ ঘূৰণীয়া পথ বিভাজকৰ পৰা গোপাল ময়দানলৈকে প্ৰায় ডেৰ কিলোমিটাৰ দীঘলীয়া ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব।

ooooo

অসম মন্ত্ৰীসভাই অনিয়ন্ত্ৰিত জমা ধন আৰু অবৈধ ট্ৰেডিং কেলেংকাৰী সংক্ৰান্তত ৰাজ্যৰ বিভিন্ন আৰক্ষী চকীত ৰুজু হোৱা সকলো গোচৰৰ তদন্তৰ ভাৰ চি বি আইক অৰ্পণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। মন্ত্ৰীসভাই লগতে গৃহ আৰু বিত্ত বিভাগক ভৱিষ্যতে  এনে ধৰণৰ ঘটনাৰ পুনৰাবৃত্তি ৰোধ কৰাৰ উদ্দেশ্যে যুটীয়াভাৱে নীতি নিৰ্দেশনা যুগুতাই উলিয়াবলৈ নিৰ্দেশ দিছে। অলপতে অবৈধ  অনলাইন ট্ৰেডিং কেলেংকাৰী সন্দৰ্ভত কেইবাখনো এজাহাৰ ৰুজু হৈছে আৰু বিষয়টো লৈ ৰাজ্যৰ বিভিন্ন স্থানত জনসাধাৰণে প্ৰতিবাদ সাব্যস্ত কৰিছে। বৰ্তমানলৈকে এই কেলেংকাৰী সংক্ৰান্তত ৬১ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে আৰু ২২ জন লোকৰ বিৰুদ্ধে লুক আউট জাননী জাৰী কৰা হৈছে। ইয়াৰ উপৰি এনে ঘটনাৰ তদন্তৰ বাবে ১৪টা বিশেষ তদন্ত দল গঠন কৰা হৈছে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে ৰাজ্যখনত ভাৰতীয় প্ৰতিভূতি বিনিময় বোৰ্ড, ছেবি অথবা ভাৰতীয় ৰিজাৰ্ভ বেংক আৰ বি আইৰ নীতি নিৰ্দেশনা পালন নকৰাকৈ কেইবাটাও ট্ৰেডিং কোম্পানীয়ে কাম-কাজ চলাই আছে আৰু ইয়াৰ ফলত বিনিয়োগকাৰীসকল লোকচানৰ সন্মুখীন হ'বলগীয়া হৈছে। প্ৰৱঞ্চক অনলাইন কোম্পানীসমূহে দুমাহৰ ভিতৰত ৩০ শতাংশ মুনাফাৰ প্ৰতিশ্ৰুতিৰে ৰাজ্যৰ লগতে বাহিৰৰ বিনিয়োগকাৰীসকলকো প্ৰলোভিত কৰিছে। আমাৰ সংবাদদাতাই জনাইছে যে, তিনিটা প্ৰৱঞ্চক কোম্পানীয়ে ১১ হাজাৰ কোটিৰো অধিক টকা লুণ্ঠন কৰিছে। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ভুৱা অনলাইন ট্ৰেডিং কোম্পানীৰ জৰিয়তে ষ্টক বজাৰত বিনিয়োগ নকৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ জামছেদপুৰৰ এটা অনুষ্ঠানত ঝাৰখণ্ডৰ প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ হিতাধিকাৰীসকললৈ প্ৰথম কিস্তিৰ ধন হস্তান্তৰ কৰিব। নতুন দিল্লীত কালি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে কয় যে, প্ৰধানমন্ত্ৰীয়ে ৰাজ্যখনৰ প্ৰায় ২০ হাজাৰ হিতাধিকাৰীৰ মাজত আৱণ্টন পত্ৰও বিতৰণ কৰিব। ইয়াৰ উপৰি ৫ কোটিৰো অধিক টকা এটা ক্লিকৰ জৰিয়তে হিতাধিকাৰীসকলৰ বেংক একাউণ্টৰ জৰিয়তে হস্তান্তৰ কৰা হ'ব। ৪৬ হাজাৰ হিতাধিকাৰীৰ নৱনিৰ্মিত বাসগৃহৰ গৃহ প্ৰৱেশ অনুষ্ঠানৰো আয়োজন কৰা হ'ব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। শ্ৰীচৌহানে কয় যে, প্ৰধানমন্ত্ৰীয়ে সোমবাৰে গুজৰাটৰ হিতাধিকাৰীসকললৈ আৰু মঙলবাৰে ওড়িশা তথা নিৰ্বাচনী আচৰণ বিধি বলৱৎ হৈ নথকা সকলো ৰাজ্যৰ হিতাধিকাৰীলৈ কিস্তিৰ ধন হস্তান্তৰ কৰিব। মন্ত্ৰীগৰাকীয়ে কয় যে, প্ৰধানমন্ত্ৰীয়ে যোগ্য হিতাধিকাৰীসকলক তালিকাত

অন্তৰ্ভুক্ত কৰি বাসগৃহ আৱণ্টন সুনিশ্চিত কৰাৰ উদ্দেশ্যে আৱাস প্লাছ্ 2024 নামৰ এটা এপো মুকলি কৰিব। চৰকাৰ সমাজৰ কল্যাণৰ প্ৰতি বদ্ধপৰিকৰ বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে, প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনত নিৰ্মাণ কৰা বাসগৃহসমূহ এম জি এনৰেগা, স্বচ্ছ ভাৰত অভিযান, জলজীৱন মিছন, উজ্জ্বলা যোজনা আৰু সূৰ্য ঘৰ বিনামূলীয়া বিদ্যুৎ যোজনাৰ সৈতে সংযুক্ত কৰা হৈছে। তেওঁ কয় যে, এই আঁচনিৰ অধীনত অনাগত সময়ত ৩ লাখ ৬ হাজাৰ কোটিৰো অধিক টকা ব্যয়েৰে ৩ কোটি অতিৰিক্ত বাসগৃহ নিৰ্মাণ কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰে শীঘ্ৰে প্ৰধানমন্ত্ৰী গ্ৰাম্য চড়ক যোজনাৰ চতুৰ্থ পৰ্যায় আৰম্ভ কৰিব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। এই আঁচনিৰ অধীনত ৬২ হাজাৰ ৫০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ সকলো বতৰত ব্যৱহাৰৰ উপযোগী পথ নিৰ্মাণ কৰা হ'ব।

00000

উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড় দুদীনিয়া ভ্ৰমণসূচীৰে আজি মহাৰাষ্ট্ৰত উপস্থিত হ'ব। উপৰাষ্ট্ৰপতিগৰাকীয়ে ভিডিঅ' কনফাৰেন্স মাধ্যমেৰে ৪৩৪খন উদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানত সংবিধান মন্দিৰ স্থাপনৰ কাৰ্যসূচী মুকলি কৰিব। মুম্বাইৰ এলফিনস্টন কাৰিকৰী মহাবিদ্যালয়ত এই অনুষ্ঠান আয়োজিত কৰা হৈছে। ছাত্ৰ-ছাত্ৰীসকলক ভাৰতৰ সংবিধানৰ গুৰুত্ব আৰু পবিত্ৰতাৰ বিষয়ে জ্ঞান প্ৰদানৰ বাবে আৰু সংবিধানৰ পিতৃস্বৰূপ ভাৰতৰত্ন ড° বি আৰ আম্বেদকাৰৰ চিন্তা চেতনাক প্ৰচাৰৰ উদ্দেশ্যেৰে সংবিধান মন্দিৰসমূহ সজাই তোলা হৈছে। ইয়াৰ পিছতে উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে নাগপুৰত ৰামদেওবাবা বিশ্ববিদ্যালয়ত স্থাপন কৰা 'ডিজিটেল টাৱাৰ' উদ্বোধন কৰিব।

00000

চৰকাৰে বাছমতী চাউলৰ ৰপ্তানিৰ ক্ষেত্ৰত পঞ্জীয়ন-তথা আবণ্টন প্ৰমাণ পত্ৰ প্ৰদানৰ বাবে প্ৰতি টনত ধাৰ্য কৰা ৯৫০ ডলাৰৰ ন্যূনতম ৰপ্তানি মূল্য বাতিল কৰাৰ সিদ্ধান্ত লৈছে। সামাজিক মাধ্যমৰ এটা পোষ্টযোগে বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে এই সিদ্ধান্তক প্ৰশংসা কৰি কয় যে উচ্চমানৰ চাউল ৰপ্তানি কৰিলে কৃষকৰ উপাৰ্জন বৃদ্ধি পাব। তেওঁ কয় যে ইয়াৰ দ্বাৰা ৰপ্তানি বৃদ্ধি পোৱাৰ লগতে কৃষকৰ আয় বৃদ্ধি পাব। তেঁও লগতে কয় যে, নৰেন্দ্ৰ মোডী চৰকাৰে লোৱা এই সিদ্ধান্তত কৃষকৰ প্ৰতি থকা সংবেদনশীলতা প্ৰতিফলিত হৈছে। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে কৃষি আৰু প্ৰক্ৰিয়াকৃত খাদ্য সামগ্ৰী ৰপ্তানি উন্নয়ন কৰ্তৃপক্ষক বাছমতী চাউল ৰপ্তানিৰ বাবে যিকোনো অবাস্তৱ মূল্যৰ ৰপ্তানি চুক্তিক তীক্ষ্ণ দৃষ্টিৰে নিৰীক্ষণ কৰিবলৈ আহ্বান জনাইছে।

00000

কেন্দ্ৰই সকলো শ্ৰেণীৰ ব্যৱসায়ীৰ বাবে ঘেঁহু মজুত ৰখাৰ সীমা সংশোধন কৰিছে। গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰালয়ে বিবৃতিযোগে কৈছে যে ব্যৱসায়ী আৰু পাইকাৰী বিক্ৰেতাসকলৰ বাবে ঘেঁহুৰ মজুতকৰণৰ সীমা পূৰ্বৰ তিনি হেজাৰ মেট্ৰিক টনৰ পৰা দুহাজাৰ মেট্ৰিক টনলৈ হ্ৰাস কৰা হৈছে। প্ৰচেছৰসকলৰ বাবে এই সীমা পূৰ্বৰ তুলনাত ৬০ শতাংশলৈ হ্ৰাস কৰা হৈছে। ১০ টন পৰ্যন্ত ঘেঁহু মজুত কৰি ৰখা খুচুৰা বিক্ৰেতাসকলৰ বাবে এই সীমা অপৰিৱৰ্তিত ৰখা হৈছে। শৃংখলাবদ্ধ খুচুৰা বিক্ৰেতাসকলে ১০ মেট্ৰিক টন পৰ্যন্ত ঘেঁহু মজুত ৰাখিব পাৰিব। মন্ত্ৰালয়ে চলিত বৰ্ষৰ ২৪ জুনত ঘেঁহুৰ মজুত সীমা আৰোপ কৰিছিল। অহা বছৰৰ ৩১ মাৰ্চলৈকে, সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত

এই নিষেধাজ্ঞা বলবৎ থাকিব। মন্ত্ৰালয়ে লগতে কয় যে ঘেঁহু মজুত কৰা সকলো ব্যৱসায়ী বা প্ৰতিষ্ঠানে মজুত ৰখা ঘেঁহুৰ পৰিমাণ নিৰ্ধাৰিত পৰ্টেলত প্ৰতি শুকুৰবাৰে আপলোড কৰিব লাগিব। দেশত যাতে ঘেঁহুৰ কৃত্ৰিম অভাৱৰ সৃষ্টি নহয় তাৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিষয়াসকলে এই মজুত সীমা বলবৎকৰণৰ ক্ষেত্ৰত চোকা দৃষ্টি ৰাখিব।

ooooo

অলিম্পিকত দুবাৰকৈ পদক অৰ্জন কৰা ভাৰতৰ নীৰজ চোপ্ৰাই  আজি নিশা বেলজিয়ামৰ ৰাজধানী ব্ৰুছেলছত অনুষ্ঠিত চলিত বৰ্ষৰ ডায়মণ্ড লীগ ফাইনেল প্ৰতিযোগিতাৰ পুৰুষ জেভলীন থ্ৰ' শিতানত অৱতীৰ্ণ হ'ব। এই শিতানৰ খেলসমূহ ভাৰতীয় সময় অনুসৰি নিশা প্ৰায় ১ বাজি ৫২ মিনিটত আৰম্ভ হ'ব। নীৰজ চোপ্ৰাই ইয়াৰ পূৰ্বে ২০২২ চনত এই প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰিছিল আৰু ২০২৩ চনত দ্বিতীয় স্থানত আছিল। খেলুৱৈগৰাকীয়ে চলিত বৰ্ষত দুখন প্ৰতিযোগিতাৰ পৰা ১৪ পইণ্ট লাভ কৰিছে আৰু সামগ্ৰিকভাৱে চতুৰ্থ স্থানত আছে।

ইপিনে, অৱিনাশ ছাবলেই ডায়মণ্ড লীগ ফাইনেলৰ পুৰুষৰ ৩ হাজাৰ মিটাৰ ষ্টিপলছেজ দৌৰত কালি নৱম স্থানত থাকে। তেওঁ ৮ মিনিট আৰু ১৭ ছেকেণ্ডত দৌৰ সম্পূৰ্ণ কৰে।

ooooo

ভাৰতে আজি চীনৰ হুলুনবুইৰত অনুষ্ঠিত পুৰুষৰ এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ লীগ পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ ১ বাজি ১৫ মিনিটত আৰম্ভ হ'ব। ভাৰতে  প্ৰতিযোগিতাত নিজৰ চাৰিওখন খেলত জয়লাভ কৰি ইতিমধ্যে ছেমি ফাইনেলত স্থান নিশ্চিত কৰিছে। হৰমনপ্ৰীত নেতৃত্বাধীন ভাৰতীয় দলটোৱে বৰ্তমানলৈকে ১২ পইণ্ট লাভ কৰি প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ শীৰ্ষত আছে। ৬ খন দেশে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতা ৰাউণ্ড ৰবীন ফৰমেটত অনুষ্ঠিত হৈছে। ৰাউণ্ড ৰবীন পৰ্যায়ৰ অন্তত শীৰ্ষ স্থান দখল কৰা চাৰিটা দলৰ মাজত পৰহিলৈ প্ৰতিযোগিতাৰ ছেমি ফাইনেল খেল অনুষ্ঠিত হ'ব। অহা মঙলবাৰে ফাইনেল খেল অনুষ্ঠিত হ'ব।

ooooo

**সমাপ্ত**